**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 17-DEC-2025
**Time :** 0755 Hrs

***Assamese Morning Bulletin***

———————————————

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে অহা ২০ ডিচেম্বৰত বৰঝাৰৰ লোকপ্ৰিয় গোপীনাথ বৰদলৈ আন্তৰ্জাতিক বিমান বন্দৰৰ নতুন টাৰ্মিনেল মুকলি কৰাৰ লগতে গোপীনাথ বৰদলৈৰ প্ৰতিমূৰ্তি উন্মোচন কৰিব। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই কালি বৰঝাৰ বিমান বন্দৰ ভ্ৰমণ কৰাৰ পাছত সাংবাদিকৰ সৈতে হোৱা কথা বতৰাত এইকথা সদৰি কৰে। প্ৰধানমন্ত্ৰীগৰাকী বৰঝাৰ বিমান বন্দৰৰ পৰা বিজেপিৰ ৰাজ্যিক কাৰ্যালয়লৈ যাব আৰু দলীয় কৰ্মীসকলৰ সৈতে কিছুসময় কটাব। তেওঁ কয়, যে ২১ ডিচেম্বৰত পুৱা প্ৰধানমন্ত্ৰীগৰাকীয়ে গুৱাহাটীৰ নৌ পৰিবহন টাৰ্মিনেলত চৰাইদেউ জাহাজত ৰাজ্যৰ ২৫-৩০ গৰাকী শিক্ষাৰ্থীৰ সৈতে **পৰীক্ষা পে চৰ্চা** অৰ্থাৎ পৰীক্ষা সম্পৰ্কীয় বিষয় লৈ আলোচনা কৰিব। তেওঁ লগতে অসম আন্দোলনৰ ছহিদসকলৰ স্মৃতিত বৰাগাঁৱত নিৰ্মাণ কৰা ছহিদ স্মাৰক ক্ষেত্ৰত পৰিদৰ্শন কৰিব আৰু ৮৬০ গৰাকী ছহিদলৈ শ্ৰদ্ধাৰ্ঘ্য নিবেদন কৰিব। তাৰ পিছত প্ৰধানমন্ত্ৰী ডিব্ৰুগড়লৈ যাব। তাত তেওঁ নামৰূপৰ এম'নিয়া ইউৰিয়া প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰিব। প্ৰধানমন্ত্ৰীৰ দুদিনীয়া অসম ভ্ৰমণ কাৰ্যসূচী সন্দৰ্ভত মুখ্যমন্ত্ৰী ড০ শৰ্মাই এইদৰে কয়–

**বাইট (চি এম)**

শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগু, শক্তিমন্ত্ৰী প্ৰশান্ত ফুকন আৰু স্থানীয় বিধায়ক তৰংগ গগৈয়ে কালি প্ৰধানমন্ত্ৰীৰ নামৰূপৰ সভভাস্থলী পৰিদৰ্শন কৰি কাৰ্যসূচীৰ অগ্ৰগতিৰ বুজ লয়। মন্ত্ৰীদ্বয়ে প্ৰধানমন্ত্ৰীৰ ভ্ৰমণ সন্দৰ্ভত বিভাগীয় বিষয়া আৰু কৰ্মচাৰীসকলৰ সৈতে এখন পৰ্যালোচনা বৈঠকতো মিলিত হয়।

মন্ত্ৰী পীযূষ হাজৰিকাই কালি পলাশবাৰী বিধানসভা সমষ্টিৰ অন্তৰ্গত বাটৰহাটৰ থকা বিজেপিৰ মুখ্য কাৰ্লায়লত দলৰ কৰ্মকৰ্তাসকলৰ সৈতে প্ৰধানমন্ত্ৰীৰ আগমন সন্দৰ্ভত বৈঠকত মিলিত হয়। এই বৈঠকত পলাশবাৰী সমষ্টিৰ বিধায়ক হেমাংগ ঠাকুৰীয়া, দক্ষিণ কামৰূপ জিলা বিজেপিৰ সভাপতি অঞ্জন গোস্বামীকে ধৰি বিভিন্নজনে অংশগ্ৰহণ কৰে।

০০০০০০

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি ডিব্ৰুগড় জিলাত **বিকাশৰ নতুন প্ৰভাত** কাৰ্যসূচীত অংশগ্ৰহণ কৰি কেইবাটাও প্ৰকল্পৰ উদ্বোধন আৰু আধাৰশিলা স্থাপন কৰাৰ লগতে আত্মসহায়ক গোটৰ মহিলাসকলক চেক বিতৰণ কৰিব। এই উপলক্ষে মৰাণৰ অভয়পুৰ গ্ৰাম্য ক্ৰীড়া প্ৰকল্প খেলপথাৰত আজি দিনৰ চাৰে ১০ বজাৰ পৰা বিশেষ কাৰ্যসূচীৰ আয়োজন কৰা হৈছে। এই কাৰ্যসূচীত মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰি মুখ্যমন্ত্ৰী ড০ শৰ্মাই টিংখাং বিধানসভা সমষ্টিৰ আত্মসহায়ক গোটৰ ২৩ হাজাৰ ৭৯১ গৰাকী মহিলাক মুখ্যমন্ত্ৰী মহিলা উদ্যমিতা অভিযানৰ অধীনত ১০ হাজাৰকৈ টকাৰ চেক বিতৰণ কৰিব। তদুপৰি তেওঁ মৰাণত ১২ কোটি ৩২ লাখ টকা ব্যয়ৰে নিৰ্মাণ হোৱা অভয়পুৰ গ্ৰাম্য ক্ৰীড়া প্ৰকল্প উদ্বোধন কৰিব। আনহাতে মুখ্যমন্ত্ৰী ড০ শৰ্মাই তৃতীয় পৰ্যায়ৰ অসম মালাৰ অধীনত ৩৬ কোটি ৯২ লাখ টকা ব্যয়ৰে মৰাণ-নিতাই পথৰ মৰাণ টাউনক্লাবৰ পৰা গজপুৰীয়া লুকুমাৰী অংশৰ ৯ দশমিক ৩ কিলোমিটাৰ পথৰ উন্নীতকৰণ আৰু বহলীকৰণৰ আধাৰশিলা স্থাপন কৰিব। একেদৰে তেওঁ ১৯ কোটি ৫০ লাখ টকা ব্যয়ৰে নিৰ্মাণ কৰিবলগীয়া টিংখাং সমজিলা আয়ুক্তৰ কাৰ্যালয় আৰু মৈত্ৰী আঁচনিৰ অধীনত ২ কোটি ১৫ লাখ টকাৰে

নিৰ্মাণ কৰিবলগীয়া মৰাণ আৰক্ষী থানা ভৱনৰ আধাৰশিলা স্থাপন কৰিব। এই কাৰ্যসূচীত মন্ত্ৰী যোগেন মহন আৰু বিমল বৰাই অংশগ্ৰহণ কৰিব।

০০০০০০

অসম আৰক্ষীত খালী হৈ থকা দুহেজাৰ ৩৫০ টা পদ পূৰণ কৰাৰ বাবে বিভাগটোৱে বিজ্ঞাপন প্ৰকাশ কৰিছে। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই কালি সামাজিক মাধ্যমযোগে এই কথা প্ৰকাশ কৰে। প্ৰকাশ কৰা বিজ্ঞাপন অনুসৰি ৪৮ টা উপ-পৰিদৰ্শক পদ, ৩৯টা সহকাৰী কাৰাধ্যক্ষ, এহেজাৰ ৫২ টা কনিষ্টবলৰ পদকে ধৰি বিভিন্ন পৰ্যায়ৰ পদৰ বাবে প্ৰাৰ্থীৰ পৰা আবেদন বিচৰা হৈছে। মুখ্যমন্ত্ৰীগৰাকীয়ে ২২ ডিচেম্বৰত স্বাস্থ্য বিভাগৰ চাকৰিৰ নিযুক্তিপত্ৰ আৰু ২৩ ডিচেম্বৰত চাহ জনগোষ্ঠীৰ প্ৰাৰ্থীসকলক নিযুক্তিপত্ৰ প্ৰদান কৰা হ'ব বুলি ঘোষণা কৰিছে। একেদৰে ১৫ জানুৱাৰীৰ আশে পাশে এ ডি আৰ ইৰ তৃতীয় বৰ্গৰ আৰু ১০ ফেব্ৰুৱাৰীৰ ভিতৰত অন্য বিভাগীয় চাকৰিৰ নিযুক্তিপত্ৰ বিতৰণ কৰা হ'ব বুলি মুখ্যমন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰিছে।

০০০০০০

সমগ্ৰ শিক্ষা, শিৱসাগৰৰ উদ্যোগত কালি জিলাখনৰ পাঁচখন পি এম শ্ৰী বিদ্যালয়ৰ ৪৭৭ গৰাকী ছাত্ৰ-ছাত্ৰীক যোৰহাট জিলাৰ স্বৰ্গদেউ চ্যুকাফা সমন্বয় কেন্দ্ৰ আৰু বৰ্ষাৰণ্য গৱেষণা প্ৰতিষ্ঠান পৰিদৰ্শন কৰোৱা হয়। বাণমুখ উচ্চতৰ মাধ্যমিক বিদ্যালয়, পি এম শ্ৰী বৰপাত্ৰ দল উচ্চ মাধ্যমিক বিদ্যালয়, বৰচিলা উচ্চ মাধ্যমিক বিদ্যালয়, আমগুৰি হালোৱাটিং মজদুৰ উচ্চ মাধ্যমিক বিদ্যালয় আৰু থানুৰাম গগৈ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীয়ে এই ভ্ৰমণত অংশ লয়। ছাত্ৰ-ছাত্ৰীসকলে স্বৰ্গদেউ চ্যুকাফা সমন্বয় ক্ষেত্ৰ, আহোম সংগ্ৰহালয়, হস্তশিল্প আৰু কাৰুশিল্প কেন্দ্ৰ, স্থানীয় শিল্প কলা উদ্যান আৰু প্ৰেক্ষাগৃহ পৰিদৰ্শন কৰে। তেওঁলোকে লগতে যোৰহাটৰ বৰ্ষাৰণ্য গৱেষণা প্ৰতিষ্ঠান পৰিদৰ্শন কৰে।

০০০০০০

**সমাপ্ত**